**নাটৰ নাম**

( খণ্ড - ৮ 'খং')

(বহনক্ষম উন্নয়নৰ বিভিন্ন দিশ)

চৰিত্ৰ ঃ

| | | | |
|---|---|---|---|
| **পিংকু** ঃ | বতৰ | } | ১৩/১৪ বছৰীয়া ল'ৰা - ছোৱালী |
| **গুণগুণ** ঃ | অৰণ্য | | |
| **ৰমেন** ঃ | পানী | | |
| **জুমি** ঃ | ধৰিত্ৰী | | |
| **শইকীয়া** ঃ (পিংকুৰ দেউতাক) | সূত্ৰধাৰ | | |

**জয়দীপ বৰুৱা**

**প্ৰথম খণ্ড**

(পিংকুৱে কবিতাটো গুণগুণাই থাকিব)

**জুমি+গুণগুণ+ ৰমেন ঃ** অ’ পিংকু ! অকলে অকলে কি গুণগুণাই আছ অ’ !
**পিংকু ঃ** অ’ ! গুণগুণ, জুমি, ৰমেন ! তহঁত ক’ৰ পৰা ওলালিহি ?
**জুমি ঃ** তোক লগত লৈ খেলিবলৈ যাব খুজিছোঁ আকৌ ! পিছে তইনো কি গুণগুণাই আছিলি ?
**পিংকু ঃ** এ.....ৰ। সৰুতে যে স্কুলত পঢ়িছিলো, সেই কবিতাটো.......। ৰ, ৰ । মনত পৰিছে!

‘অ ফুল, অ’ ফুল
নুফুল কিয় ?

**গুণগুণ ঃ** গৰুৱে যে আগ খায়
মইনো ফুলিম কিয় ?

**পিংকু+গুণগুণ ঃ** অ গৰু, অ গৰু, ঘাঁহ খাৱ কিয় ?
**ৰমেন ঃ** গৰখীয়াই যে মোক নৰখে
মইনো নাখাম কিয় ?

**পিংকু+গুণগুণ+ ৰমেন ঃ** অ’ গৰখীয়া অ’ গৰখীয়া গৰু নৰখ কিয় ?
**জুমি ঃ** ৰান্ধনীয়ে যে ভাত নিদিয়ে মইনো ৰখিম কিয় ?

(চাৰিওৱে খিলখিলনি হাঁহি)

**গুণগুণ ঃ** ঐ চাচোন চা, ফুলপাঁহৰ পৰা গৈ কবিতাটো ক’ত শেষ হ’লগৈ ?
**পিংকু ঃ** অ’, অ’ ! একেবাৰে ভেকুলীত......... ভেকুলীটোৱে কি কৈছিল ?
**একেলগে ঃ** মই কৰো টোৰ-টোৰ
মেঘে কৰে গুৰ-গুৰ
বৰষুণ দিয়ে হুৰ-হুৰ
বোপা ককাৰ সহজটো মইনো এৰিম কিয় ?

(আকৌ খিলখিলনি হাঁহি)

**ৰমেন ঃ** এ.. ৰহ। একেবাৰে ভেকুলীয়ে টোৰ-টোৰালেহে বৰষুণ দিয়ে ?
**জুমি ঃ** অ’, হয়তো আকৌ ? ভেকুলীয়ে টোৰ-টোৰালেহে বৰষুণ আনে নেকি ? আমাকটো স্কুলত চাৰে কৈছে, যে বতৰ আৰু জলবায়ু বেলেগ বেলেগ কাৰকৰ ওপৰত নিৰ্ভৰশীল। ও....। বতৰৰ পৰিৱৰ্তনৰ সৈতে কিছুমান প্ৰাণীয়ে বেলেগ বেলেগ আচৰণ কৰিব পাৰে।
**গুণগুণ ঃ** ঐ পিংকু, ৰমেন..... চা..... জুমিৰ পণ্ডিতালি আৰম্ভ হৈ গ’ল।
(তিনিও একেলগে হি...হি...হি...)
**পিংকু ঃ** কিন্তু এটা কথা দেই.....
**বাকীকেইজন ঃ** কি..ই..ই... কথা ?
**পিংকু ঃ** ফুলপাঁহ ধুনীয়াকৈ ফুলি থকাৰ সৈতে বহুতৰে ভূমিকা জৰিত হৈ আছে ?
**গুণগুণ ঃ** হয়তো আকৌ ! যধে-মধে গছৰ আগবোৰ কাটি থাকিলে ফুল-ফল ক’ৰ পৰানো হ’ব ?
**জুমি ঃ** অ ! এই যধে-মধে কৰা কামবোৰেইটো সকলো অনৰ্থৰ মূল। এই যে ৰমেনে গা ধোওঁতে তিনি বাল্টি পানী খৰচ কৰ যে ?
**ৰমেনে ( খঙেৰে) ঃ** ঐ ! মোৰ কথা তেনেকৈ নক’বি দেই। মই কেতিয়া পানী যধে-মধে খৰচ কৰা দেখিলি ?
**জুমি ঃ** নহয় অ’। তই নকৰিব পাৰ-অ। কিন্তু আন কোনোবা ৰমেন টো আছে?
**সকলোৱেই ঃ** হি...হি...হি.......
**শইকীয়া ঃ** বাঃ তোমালোকৰ কিহৰনো ইমান হাঁহি-খিকিন্দালি ?
**জুমি+ৰমেন+গুণগুণ ঃ** খুড়া ?
**পিংকু ঃ** দেউতা, তুমি ?

**শইকীয়া ঃ** ও ! মই তোমালোকৰ কথাবোৰ শুনিয়েই আছিলোঁ। ধেমালি কৰি আছিলা যদিও কথাবোৰ কিন্তু দৰকাৰী দেই। যধে-মধে কৰা কামবোৰেই সকলো অনৰ্থৰ মূল। এইযে যধে-মধে অট্টালিকাবোৰ বনোৱা, যধে-মধে পানী নষ্ট কৰা, খোজ কাঢ়িব পৰা বাটত গাড়ীখন লৈ যোৱা, প্ৰয়োজন নহ'লেও লাইট-ফেন-টিভি-এচি চলাই থোৱা, যধে-মধে দ ঠাইবোৰ পুতি পেলোৱা, যধে-মধে য'তে ত'তে জাবৰ-জোথৰবোৰ পেলোৱা।

**গুণগুণ ঃ** আৰু খুড়া... বিয়া-সবাহত 'বুফে' কৰোতে একেলগে কাঁহীত ১০/১২ বিধ ব্যঞ্জন লৈ পিছত আধাখিনি পেলাই অহা? হি...হি...হি.......

**শইকীয়া ঃ** ঠিকেই ! আমি পাইছোঁ বাবে অনেকেই অবাবত খাদ্য বহুতো নষ্ট কৰোঁ। কিন্তু তোমালোকে জানানে? আমাৰ এনে কিছুমান আচৰণৰ বাবেই কিমানে যে ভোকত দিন কতাবলগীয়া হৈছে। পৃথিৱীজুৰি বোলে প্ৰতি ন-জন লোকৰ এজনে পুষ্টিহীনতাত ভুগি আছে।

**জুমি ঃ** কথাষাৰ কিন্তু চিন্তা কৰিবলগীয়া দেই।

**শইকীয়া ঃ** অ। এই 'যধে-মধে' কৰা আচৰণৰ বাবেইটো কল-কাৰখানা বাঢ়িছে, ইন্ধনৰ ব্যৱহাৰ বাঢ়িছে, কৃষি-ভূমি কমি আহিছে, অৰণ্যবোৰ নাইকিয়া হৈ আহিছে, খোৱা-পানীৰ অভাৱ হৈছে, এফালে একাংশৰ আৰ্থিক উন্নতি হৈছে, আনফালে বহু লোকে ভোকত দিন কটাইছে। এইদৰে আৰু কিমান দিন চলিব?

**গুণগুণ + পিংকু + ৰমেন ঃ** এইদৰে অৰু কিমান দিন চলিব?

**জুমি ঃ** চলিব লাগিব, চলিব লাগিব।

**গুণগুণ ঃ** আমি ভৱিষ্যত প্ৰজন্মৰ কথা ভাবিব লাগিব।

**পিংকু ঃ** এ.....এ.... আকৌ serious. ঐ, ৰমেন, জুমি, গুণগুণ- আমি ন'হলে এখন নাটক কৰোঁ দে।

**ৰমেন ঃ** নাটক? কিহৰ নাটক?

**পিংকু ঃ** এইযে দেউতাই কৈ আছে, সেইবোৰকে লৈতো নাটক কৰিব পাৰোঁ।

**জুমি ঃ** অ, বঢ়িয়া। মই কিন্তু 'ধৰিত্ৰী' হ'ম।

**গুণগুণ ঃ** মই হ'ম অৰণ্য।

**ৰমেন ঃ** মই পানী হ'ম।

**পিংকু ঃ** মই.....মই.....মই হ'ম বতৰ

**জুমি ঃ** খুড়া, আপুনি আমাৰ লগত থাকিব নে?

**শইকীয়া ঃ** ও...ও...! হ'ব দিয়া। তোমালোকৰ কথাবোৰৰ আঁত ধৰিব লাগিব নহয়? সেয়ে মই 'সূত্ৰধাৰ' হ'ম দিয়া। হ'বনে?

**জুমি+ গুণগুণ ঃ** বঢ়িয়া হ'ব।

**পিংকু ঃ** ব'ল, ব'ল ! দেউতা ব'লা। আমি আৰম্ভ কৰোঁগৈ।

Music অত change

## দ্বিতীয় ভাগ
## (কৰুণ সুৰ)

**অৰণ্য (গুণগুণ) ঃ** আ.....হ! ই-মা-ন শুকান, শুকান লাগিছে। গোটেইখন দেখোন উদঙেই হ'ল। (সেহাই, সেহাই)-কি-মান সেউজীয়া আছিলো মই। কে-উ-পি-নে দাঠ হাঁবি, চৰাই-চিৰিকটি, ফুটুকি হৰিণি....। নাই-এই ঠাইত আৰু মোৰ স্থান নাইকিয়া হ'ল।

**(গছ কটা শব্দ)**

**অৰণ্য ঃ** সেয়া, সেয়া সিঁহতে কাটিয়ে আছে। উঃ কিমান ধ্বংস কৰ আৰু। বন্ধ কৰ, বন্ধ কৰ।

**ধৰিত্ৰী ঃ** (সেহাই)- অ' কোনে কে-কা-ইছা? অৰণ্যনে?

**অৰণ্য ঃ** হয়, আই ধৰিত্ৰী। মোৰ বাহিৰেনো ইমান দুখ কাৰ হ'ব? চোৰাচোন গোটেইখন কাটি খাষ্টাং কৰিছে। দেখিছানে সৌ ঠাইত গোটেইবোৰ গছ কাটি মোৰ অস্তিত্বই নাইকিয়া কৰিলে, ৭-৮ মহলীয়া ঘৰ সাজিলে?

(খঙেৰে) পাবিহঁত ৰ, গমটো।

**ধৰিত্ৰী ঃ** খং কৰিনো কি লাভ হ'ব অ' অৰণ্য? মই ও কম কষ্টখন খাইছোনে? চা-চোন- এই ঠাইখনত কিমান নিৰিবিলি পৰিৱেশ আছিল। তোৰ সেউজীয়া ৰূপে সকলোকে কিমান আনন্দ দিছিল। নিৰিবিল পৰিৱেশ, কণমাণিহঁতৰ হাঁহি-খিকিন্দালি, সুন্দৰ খেতি-বাতি, নৈ খনৰ পৰিষ্কাৰ পানী, সকলো বস্তুৰে উভৈনদী, ধুনীয়া পাহাৰখন....। এতিয়া এইবোৰ নাই অ'। কণমাণিহঁতৰ হাঁহি-খিকিন্দালি শুনিবলৈ নাপায় এতিয়া মনটোৱে বৰ কষ্ট পাইছে।

**অৰণ্য ঃ** সিহঁতৰ হাঁহি-খিকিন্দালি ক'ত শুনিবা আই? খেলা ঠাইখিনিটো প্ৰকাণ্ড ঘৰ সাঁজি পেলালে। মিলি-জুলি, ধেমালিৰ মাজেৰে কিবা এটা শিকাৰ আনন্দও নাইকিয়া হ'ল। কি-যে হ'ব ইহঁতৰ ভৱিষ্যত। পাৰিবনে ভৱিষ্যতে ইহঁতে সুখে সন্তোষেৰে থাকিব?

**কোৰাছ ঃ** পাৰিবনে আজিৰ অকণিহতে ভৱিষ্যতে সুখে সন্তোষেৰে থাকিব? পাৰিবনে? পাৰিবনে?....

**সূত্ৰধাৰ ঃ** এইদৰে অৰণ্য আৰু ধৰিত্ৰীয়ে নিজৰ মৰ্মবেদনা কৈ গ'ল। সঁচাকৈয়ে এইদৰে গৈ থাকিলে ভৱিষ্যত প্ৰজন্মৰ বাবে কি থাকিবগৈ? ধৰিত্ৰীয়ে এনে উন্নয়নৰ ভাৰ আৰু কিমান বহন কৰিব? কাঠৰ বাবে, খননৰ বাবে, বনজুইৰ বাবে, খেতিৰ বাবে ঠাই উলিয়াবলৈ, উদ্যোগ পাতিবলৈ, ঘৰ বনাবলৈ- কিমান যে কাৰণত অৰণ্যবোৰ ধ্বংস হ'বলৈ লৈছে। কি হ'ব বাৰু? (অলপ ৰৈ) অ' সেয়া 'পানী' ককাই নহয় নে? বৈ অহা নদীখনৰ সৈতে? ধৰিত্ৰী আৰু অৰণ্যৰ পিনেই গৈ আছে বোধহয়। মনটো বৰকৈ মাৰি অহাযেন লাগিছে। শুনোচোন আহক, কি কথা পাতে?

( Music- বোৱতী পানীৰ শব্দ)

**ধৰিত্ৰী ঃ** পা-নী-ই? কি হ'ল তোমাৰ ? ইমান মন মাৰি আহিছা যে?

**অৰণ্য ঃ** অৰণ্য ঃ অ' পানী। কি হ'ল তোমাৰ?

**পানী ঃ** আই ধৰিত্ৰী, অৰণ্য -তোমালোকেওতো মন মাৰি আছা। আই, তুমিতো সকলো জানাই দেখোন। মোৰ এই লেতেৰা ৰূপ দেখি তোমালোকৰ বেয়া লগা নাই নে?

**অৰণ্য ঃ** লাগিছে, লাগিছে। পিছে তোমাৰ এই ৰূপ কেনেকৈ হ'ল?

**পানী ঃ** ই.... নাজানেহে যেনিবা। দেখা নাই জানো। সৌ--যে কাৰখানাটো পাতিলে? লেতেৰা বস্তুবোৰ মিহলি কৰি নৈখন একেবাৰে লেতেৰা কৰিলে। আৰু সৌ পায়খানা, ঘৰুৱা নৰ্দমাবোৰ....সকলোবোৰ যেন নৈতে পেলাব লাগিব। কাৰখানাৰ বিষাক্ত পানীয়ে মোক বিষাক্ত কৰি তুলিছে। কালি দেখিলো মাছমৰীয়া এজনে মাছ এটাৰ বাবে দিনটো বাটচাব লগা হৈছে।

**ধৰিত্ৰী ঃ** মাছ পালেনো কি হ'ব? কাৰখানাৰ বিষবোৰটো মাছলৈয়ে গৈছে। (স্বগতোক্তি) - কাৰখানা পতাবোৰে লেতেৰাবোৰ শোধন কৰিওটো পানীত, মানে নৈখনত পেলাব পাৰিলেহেতেন? (হুমুনিয়াহ) পানী, তোমাৰ এই অৱস্থা দেখি মই বৰ কষ্ট পাইছোঁ।

**পানী ঃ** এৰা....(হুমুনিয়াহ)..। অৰণ্য, তোমাকযে ইমান শুকান, শুকান লাগিছে? অ, অ, বুজি পাইছোঁ। গোটেইবোৰ গছ-বন কাটি তোমাৰ অৱস্থাটো দেখোন মোতকৈও বেয়া কৰিলে।

**অৰণ্য ঃ** এ... নকবা আৰু। আগতে খৰালিও নৈ-খনৰ পৰা পানীয়ে, মানে তুমি ইয়াৰ গছবোৰক জিপাল কৰি ৰাখিছিলা। কিন্তু এতিয়া দেখোন নৈ-খনৰ তলিতহে তোমাৰ অৱস্থান।

**পানী ঃ** নহ'ব কেলৈ? গছবোৰ কাটি পেলালে। ফলত পানী মানে মই ক্ৰমাৎ তললৈ গৈছা। লগতে দেখা নাইনে সৌ ওখ ওখ অট্টালিকাবোৰে মাটিৰ বহুত তলৰ পৰা পানী উলিয়াই নি মোৰ কি অৱস্থা কৰিছে। গতিকে মই নৈ-খনৰ তলিত নাথাকি ক'ত থাকিম?

**ধৰিত্ৰী ঃ** এৰা পানী। তোমাৰ এই অৱস্থা এনে কিছুমান মানুহেই কৰিছে। নৈ, বিল, খালবোৰ যধে -মধে জাবৰ-জোথৰ পেলাই কদৰ্য কৰি তুলিছে। আমাৰ পানীকতো কম দুৰ্গতি কৰা নাই। কিমান পানী এনেয়ে পেলায়। য'তে-ততে পানীবোৰ বন্ধ কৰি থৈ পাহৰিয়ে যায়। ফলত কি হৈছে? মেলেৰিয়া, ডেংগু, আদি ৰোগ বিয়পোৱা ম'হবোৰ বঢ়া নাইনে? (হুমুনিয়াহ কাঢ়ি)ঃ। মই ধৰিত্ৰী। মানুহবোৰৰ নিজে আৰ্জি লোৱা কষ্ট হ'লেও মই মনত কিন্তু ঠিকেই কষ্ট পাওঁ। (নিস্তব্দ পৰিৱেশ)

**পানী ঃ** আই?

**ধৰিত্ৰী ঃ** ও?

**পানী ঃ** শুনিছো কিবা বোলে 'স্বচ্ছ-ভাৰত' পাতিছে?

**ধৰিত্ৰী ঃ** মইও শুনিছো। গোটেই ভাৰতভূমিবোলে পৰিষ্কাৰ কৰি তুলিব। পৰিষ্কাৰ পৰিচ্ছন্নতাই বহুতো বেমাৰ-আজাৰ নোহোৱা কৰিব। মানুহবোৰ সুস্থ হৈ থাকিব আৰু তেতিয়া তোৰটো অৱস্থা ভাল হ'ব?
**পানী ঃ** হ'বনে আই?
**ধৰিত্ৰী ঃ** হ'বতো লাগেই। কিন্তু আগতে-সৌ-যে দেখিছ স্বাৰ্থপৰা মানুহবোৰ? প্ৰথমে এনে মানুহবোৰৰ মনটো স্বচ্ছ কৰিব লাগিব। তেহে ইমান ভাল আঁচনিখন সফল হ'ব।

( Music ত change )

**সূত্ৰধাৰ ঃ** এনেদৰে পানী, অৰণ্য আৰু ধৰিত্ৰীৰ মনৰ কথা চলি থাকিল। আমাক এখন নিশ্চয় 'স্বচ্ছ ভাৰত' লাগিব। পৰিচ্ছন্ন ভাৰত, নিৰোগী ভাৰত। এখনি নিকা ভাৰত - য'ত দূষিত পানীৰ পৰা, লেতেৰা পৰিৱেশৰ পৰা হোৱা ৰোগ দূৰ হ'ব, মনলৈ আনন্দ আহিব। এখনি স্বচ্ছ ভাৰতে, বহনক্ষম উন্নয়নৰ ১৭ টা লক্ষৰ এটা - 'সকলোৰে বাবে সু-স্বাস্থ্য'ৰ লক্ষ পূৰণ কিমানয়ে সহজসাধ্য কৰি তুলিব। এনে হ'বগৈনে?
**কোৰাছ ঃ** হ'ব, হ'ব। কিন্তু প্ৰথমে এনে এচাম মানুহৰ মনবোৰ স্বচ্ছ কৰি ল'ব লাগিব। আমি স্বচ্ছ ভাৰতৰ সপোন পূৰ্ণ কৰিবই লাগিব।
(প্ৰথমতে বতাহৰ সৰু শব্দ ক্ৰমাৎ ডাঙৰ হৈ ধুমুহাৰ ভয়লগা শব্দ)
**সূত্ৰধাৰ ঃ** এয়া কি? ধু-মু-হা। সেয়া, গোটেইখনযেন এতিয়া উৰুৱাই নিব। ঘৰ-বাৰী, গছ-গছনি, দোকান-পোহাৰ একো নাথাকিব। সেয়া, 'বতৰ'ৰ খং উঠিছে। আই ধৰিত্ৰী বতৰক ৰখোৱাঁ, ধুমুহাক ৰখোৱাঁ। নহ'লে সকলো শেষ হৈ যাব। আই-ধৰিত্ৰী, বচোৱাঁ......(ক্ৰমাৎ মাত সৰু হৈ যাব) (বতাহৰ শব্দ চলি থাকিব)
**ধৰিত্ৰী ঃ** ব-ত-ৰ? অলপ ৰ'বা। তোমাৰ ইমান খং কিহৰ? এই অবতৰত যে ধুমুহাহৈ আহিলা? ৰ'বাচোন। (বতাহৰ শব্দ কিছু কমিব)
**বতৰ ঃ** আ-ই। মোক নৰখাবা। মোক দুৰ্বাৰ ৰূপত আগবাঢ়িব দিয়া। অবতৰত মোৰ এই ৰূপ এই মানুহবোৰেই সৃষ্টি কৰিছে। আজি ইহঁতে এটা শিক্ষা পাওক সকলো শেষ কৰি যাওঁ।
**ধৰিত্ৰী ঃ** ৰ'বা, ৰ'বা। কিছুমানৰ দোষৰ বাবে সকলোকে ধ্বংস কিয় কৰা? ৰ'বাচোন? মই আছোঁ, অৰণ্য আছে, পানী আছে। আটাইয়ে তোমাৰ দুঃখ আৰু খঙৰ কথা আলোচনা কৰোচোন আহাঁ। কিবা উপায় ওলায় কিজানি।

(ধুমুহাৰ শব্দ কমি যায়..... ক্ৰমাৎ)

**বতৰ ঃ** আই, তুমি কোৱাৰ বাবে মই অলপ ৰৈছোঁ বাৰু। কিন্তু অৰণ্য ভা-ই?
**অৰণ্য ঃ** কি?
**বতৰ ঃ** তোমাৰ ওপৰতো মোৰ বহুত খং।
**অৰণ্য ঃ** (সন্দেহৰ সুৰত) কিয়?
**বতৰ ঃ** গম পোৱা নাই? মোৰ এই বায়ুমণ্ডল কিমান গৰম হৈ গৈছে? তুমিতো গৰম কমাই ৰখাত বহুত সহায় কৰিছিলা। অৰণ্যৰ ৰূপত তুমি কাৰ্বনৰ পৰিমাণ বায়ুত কমাই ৰাখিছিলা।
**অৰণ্য ঃ** তাৰ বাবে মোৰ কি দোষ কোৱা? দেখিছানে মানুহে চাৰিওপিনে কিমান গছ-গছনি কাটি আছে। খাল-বিলবোৰ পুতি পেলাইছে। তোমাৰ বায়ুত থকা, কিবা বোলেনে, কাৰ্বন-ডাই-অক্সাইডবোৰ মই কিমান গ্ৰহণ কৰিম?
**পানী ঃ** হয়, হয়। আনফালে, কয়লা-পেট্ৰল পুৰি, কল-কাৰখানাবোৰে বায়ুলৈ দূষিত গেছবোৰ এৰিয়ে আছে। বায়ু গৰম নহ'ব কিয়?
**অৰণ্য ঃ** এইদৰে গৰম বাঢ়ি গৈ থাকিলে গছ-বিৰিখ, প্ৰাণীবোৰৰ কি অৱস্থা হ'বগৈ? লুভীয়া এই এক শ্ৰেণীৰ মানুহে কাক লৈ জীয়াই থাকিব? সিহঁতক খালি লাগে আৰু লাগে।

**ধৰিত্ৰী ঃ** এই এক শ্ৰেণীৰ মানুহৰ বাবে সকলোৱেই যে শাস্তিখন খাব লাগিব, সেই কথাইহে বৰ দুখ দিছে অ'। এইদৰে বায়ুমণ্ডলৰ গৰম বাঢ়ি গৈ থাকিলে বোলে সঘন বতৰ পৰিবৰ্তন হ'ব, কিছু-বছৰৰ পিছতেই স্থানীয় জলবায়ুৰ পৰিবৰ্তন হ'ব, মানে হৈছেই বোলে - পাৰিবনে আমাৰ এই জীৱবোৰে এই হঠাৎ হোৱা পৰিবৰ্তন সহ্য কৰিব? উফ্ কি যে বিপদ।

**বতৰ ঃ** (ক্ৰমৎ উত্তেজিত হৈ)। নাই-নাই। এনেদৰে নহ'ব। ভয়াবহ বান আহিব, হিল-দ'ল ভাঙি ধুমুহা হৈ আহিম, এফালে খৰাঙত গছ-বিৰিখ, মানুহ সকলো মৰিব, সাগৰ উফন্দি উঠিব, সৰু-সৰু দ্বীপবোৰ ডুব যাব, মহামাৰি হ'ব, অতিবৃষ্টিত পাহাৰ খহিব.........হাঃহাঃহাঃ। (অলপ ৰৈ)

কিন্তু আই। এই গোটেই কষ্টখিনিটো তুমিয়েই সহ্য কৰিব লাগিব? উস্। মানুহবোৰে যদি এতিয়াও ভাবিবলৈ লয়।

**অৰণ্য ঃ** হয় আই ধৰিত্ৰী। চোৱাচোন...

সৌ পাহাৰখন কিমান সেউজীয়া আছিল।
তাৰ ওখ গছৰ ঠাই ল'লে ধোঁৱা নিগৰুৱা
নাতিদীৰ্ঘ নলীয়ে।
কুলু-কুলু কৈ বৈ থকা নৈ-খন
এতিয়া এটুপী পানীৰ বাবে হাঁহাকাৰ
মোৰ, মানে এই অৰণ্যৰ বুকুখন সুদা হ'ল।
ল'ৰাহঁতে ভেলা-ঘৰ সাজি ভোজ-খোৱা
পথাৰখন
আঘোনৰ সোণালী ধানৰ ৰূপটো আৰু নেদেখোঁ
উঃ। কি কৰোঁ। জীৱকূলক কেনেকৈ বচাওঁ।
ভৱিষ্যত প্ৰজন্মক পিয়াহৰ পানীটুপী, পুষ্টিকৰ খাদ্যকণ
কেনেকৈ দিওঁ?

**পানী ঃ** মা-নু-হ। তোমালোক সচেতন এতিয়াই হোৱা।

**কোৰাছ ঃ** মানুহ। আহাঁ আমি এতিয়াই সচেতন হওঁ। আৰু সময় নাই।

**সূত্ৰধৰ ঃ** (হুমুনিয়াহ কাঢ়ি)। ধৰিত্ৰীৰ বুকুৰ এই বেদনা কোনে বুজিব? আজি ধুমুহা আহিছে, অতিবৃষ্টি হৈছে, এফালে খৰাং হৈছে, পুৰণি বনাঞ্চল ধ্বংস হৈছে, অভাৱনীয় বান আহিছে, ভূমিস্খলন হৈছে, অচিন ৰোগ-ব্যাধি বাঢ়িছে। আমাৰ আই ধৰিত্ৰীয়ে এতিয়াও সহ্য কৰি আছে। কিন্তু যেতিয়া মানুহৰ লোভ, কৃত্ৰিমতা, অত্যাধুনিক জীৱন-যাত্ৰাই সৃষ্টি কৰা সমস্যাৰ ভাৰ ধৰিত্ৰীয়ে আৰু বহন কৰিব নোৱাৰা হ'ব তেতিয়া? উঃ, ভাবিবই নোৱাৰি। তথাপিও আমি কিয় সচেতন হ'ব পৰা নাই বাৰু ? সেইবাবেই হয়তো নিৰ্দ্ধাৰণ কৰা হৈছে বহনক্ষম উন্নয়নৰ বাবে সকলোৰে বাবে গুণগত শিক্ষাৰ লক্ষ। আমি কিবা এটা কৰিবই লাগিব। নহ'লে জীৱকূলৰ অস্তিত্ব বিপদাপন্ন।

**কোৰাছ ঃ** আমি এনে হ'বলৈ নিদিওঁ। অৰণ্যক ৰক্ষা কৰিবলৈ, ব্যৱহাৰ-যোগ্য পানীৰ সু-ব্যৱহাৰৰ বাবে, নৈ-বিল আদি সুৰক্ষিত কৰিবলৈ, এক পৰিচ্ছন্ন সমাজ-গঢ়ি তুলিবলৈ আমি আজিয়ে প্ৰতিজ্ঞা কৰিলোঁ। আহাঁ আমি তাৰ বাবে একেলগে আগবাঢ়ি যাওঁ। আগবাঢ়ি যাওঁ। আগবাঢ়ি যাওঁ। (ক্ৰমাৎ মাত নাইকিয়া হ'ব)।

Music অত change

**তৃতীয় খণ্ড**

**পিংকু ঃ** ঐ, নাটকখন কৰি কিন্তু মজা লাগিল দেই।

**গুণগুণ ঃ** পিংকুৰ এই ৰূপ দেখিম বুলি মই কিন্তু ভবাই নাছিলোঁ দেই। থাণ্ডা-মুণ্ডা ল'ৰাটোৱে ধুমুহাৰ যিহে ভয়লগা ৰূপ দেখুৱালে।

**জুমি ঃ** হয় দেই। স্বাভাৱিক অৱস্থাত বতৰৰ যিহে শান্ত ৰূপ, কিন্তু উগ্ৰ মূৰ্ত্তি ধৰিলে? বাপ্ৰে!!

**পিংকু ঃ** হ'ব, হ'ব। আমি নাটকতটো বহু কথাই ক'লো। কিন্তু নিজেতো কিবা এটা কৰিব লাগিল।

**ৰমেন** ঃ নিশ্চয়। এটা কাম কৰোঁ দে।
**ৰমেন+জুমি+গুণগুণ** ঃ কি ???
**ৰমেন** ঃ মানে আমাৰ ইয়াত খেলা-ধূলা কৰিবলৈ যিকন ঠাই আছেগৈ, তাত এজুপিও গছ নাই। ব'লহঁত তাৰ চাৰিওপিনে গছ-পুলি ৰোওঁগৈ।
**শইকীয়া** ঃ ব'লা, ব'লা। মইও তোমালোকৰ লগত আছোঁ।

..................X....................

**জয়দীপ বৰুৱা**

**প্ৰশ্ন নং ১** ঃ ৰাষ্ট্ৰসংঘই বহনক্ষম উন্নয়নৰ বাবে নিৰ্দ্ধাৰণ কৰা মুঠ লক্ষ কেইটা?
**উত্তৰ** ঃ ১৭ টা।
**প্ৰশ্ন নং ২** ঃ বনাঞ্চল ধ্বংস হোৱাৰ তিনিটা কাৰণ লিখা

১) বনজুই
২) মানুহৰ বাসস্থানৰ বাবে
৩) খেতিৰ ঠাই উলিয়াবলৈ
৪) উদ্যোগ স্থাপনৰ বাবে।